**Regional News Unit**

All India Radio, Guwahati

Date : 5-08-2025 **Time :** 07-55 Hrs.

**Assamese Morning Bulletin**

উৰিয়ামঘাটত প্ৰথম পৰ্যায়ৰ উচ্ছেদ অভিযানৰ পাছত ৰেংমা সংৰক্ষিত বনাঞ্চলৰ ১২ হেজাৰ হেক্টৰ ভূমি দখলমুক্ত কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। উৰিয়ামঘাটত নগা লোকৰ আগ্ৰাসন হোৱা নাই বুলি স্পষ্ট কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই জাতীয় জীৱনৰ বৃহত্তৰ স্বাৰ্থত উচ্ছেদ অভিযান অব্যাহত থাকিব বুলি ঘোষণা কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি সংবাদ মাধ্যমৰ আগত কয়, যে উৰিয়ামঘাটৰ স্থান তেওঁ নিজে প্ৰত্যক্ষ কৰি আহিছে আৰু সেই স্থানত নগাৰ আগ্ৰাসন হোৱা কথাটো সম্পূৰ্ণ মিছা। ৰাজ্যৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয় সন্দৰ্ভত অহা নৱেম্বৰত হবলগীয়া অসম বিধানসভাৰ অধিৱেশনত আলোচনা কৰা হব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

ইপিনে, বজালী জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ কালি মুখ্যমন্ত্ৰীগৰাকীয়ে বৰপেটা জিলাৰ সৰ্থেবাৰী ৰাজহচক্ৰৰ অন্তৰ্গত কাৱৈমাৰী, গুলীবন্ধা আৰু সৰ্থেবাৰীৰ বিভিন্ন অঞ্চলত অবৈধ দখলকাৰীৰ কবলত থকা কেইবাহাজাৰ বিঘা ভূমি অতি সোনকালে দখলমুক্ত কৰা হব বুলিও তেওঁ কয়।

00000000

জলসিঞ্চন মন্ত্ৰী অশোক সিংহলে কালি গোলাঘাট জিলাৰ উৰিয়ামঘাটৰ সীমান্তৱৰ্তী অঞ্চলত নতুনকৈ নিৰ্মাণ কৰা ৰেংমা নদীৰ জলসিঞ্চন প্ৰকল্পস্থলী পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰকল্পটোৰ সৈতে জড়িত বিষয়াসকলক প্ৰকল্পৰ কাম-কাজ খৰটকীয়া কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে আঁচনিখনৰ জৰিয়তে অধিক কৃষকক সামৰি ল'ব পৰা বিষয়টো সন্দৰ্ভতো আলোচনা কৰে। পৰিদৰ্শনৰ সময়ছোৱাত সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকন, সমজিলা আয়ুক্ত মানস নাথকে ধৰি বিভাগীয় বিষয়া-অভিযন্তাসকল উপস্থিত থাকে।

00000000

'মোৰ ৰেচম, মোৰ গৌৰৱ' শীৰ্ষক বিষয়েৰে কালি মাহমৰা মুগা বহুমুখী প্ৰকল্প কেন্দ্ৰত, কেন্দ্ৰীয় মুগা এৰী গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উদ্যোগত মুগা আৰু এৰী শিল্প সন্দৰ্ভত সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। কেন্দ্ৰীয় চৰকাৰৰ বস্ত্ৰ মন্ত্ৰালয়ৰ ৰেচম প্ৰযুক্তি

হস্তান্তৰ অভিযানৰ এশ দিনীয়া কাৰ্যসূচীৰ অংশ হিচাপে এই অনুষ্ঠানৰ আয়োজন কৰা হয়। কাৰ্যসূচীৰ অংশ হিচাপে মুগা আৰু এৰীৰ উৎপাদন আৰু স্বাৱলম্বিতা সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হয়। কেন্দ্ৰীয় ৰেচম ব'ৰ্ডৰ মুগা, এৰী গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সঞ্চালক ড০ কাৰ্তিক নেওগ, কনিষ্ঠ বিজ্ঞানী ড০ চিন্ত' এণ্ট, মাৰ্ঘেৰিটাৰ ৰেচম অধীক্ষক ড০ দীপক নাথকে ধৰি ভালেসংখ্যক ব্যক্তিয়ে এই আলোচনাত অংশগ্ৰহণ কৰে। আলোচনাত ৭০ গৰাকী এৰী আৰু মুগা পালকে অংশ লয়। দেশৰ ১ লাখ কৃষকক এই অভিলাষী লক্ষ্যৰে সামৰি লোৱাৰ বাবে তিনি জুলাইত আৰম্ভ হোৱা এশ দিনীয়া অভিযান ছেপ্টেম্বৰলৈকে অব্যাহত থাকিব বুলি প্ৰকাশ কৰা হৈছে। অভিযানৰ অধীনত ডিব্ৰুগড় জিলাৰ কেইবাটাও ৰাজহ চক্ৰৰ ৰেচম চক্ৰসমূহ সামৰি লোৱা হ'ব। উল্লেখযোগ্য যে ২০২৪-২৫ বৰ্ষত ১২৩ দশমিক ৫ – ৭ মেট্ৰিকটন উৎপাদনেৰে অসমৰ এৰী, ৰেচম উৎপাদনত ডিব্ৰুগড় জিলা দ্বিতীয় স্থানত আছে।

00000000

বিগত ২৪ ঘণ্টাত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত কাছাৰ জিলাৰ কেইবাটাও অঞ্চল প্লাৱিত হৈছে। শিলচৰৰ ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী পথ, নিউ শিলচৰ, সোণাই ৰোড, শ্বিলং পট্টী, অম্বিকা পট্টী, চৌৰংগী, বিবেকানন্দ ৰোডকে ধৰি কেইবাটাও এলেকা বানত বুৰ গৈছে। বতৰ প্ৰতিকুল হোৱাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে আজি জিলাখনৰ সকলো চৰকাৰী, বেচৰকাৰী শিক্ষানুষ্ঠান, প্ৰশিক্ষণ কেন্দ্ৰ আৰু অংগনৱাড়ী কেন্দ্ৰসমূহ বন্ধ ঘোষণা কৰিছে। অৱশ্যে পূৰ্বৰ নিৰ্ধাৰিত পৰীক্ষাসমূহ সময়সূচী অনুসৰিয়ে অনুষ্ঠিত হ'ব। কাছাৰ জিলাৰ দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সংশ্লিষ্ট নিয়মৰ অধীনত জিলা প্ৰশাসনে সতৰ্কতামূলক পৰামৰ্শও জাৰি কৰিছে।

00000000

লখিমপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি লখিমপুৰ জিলা পৰিষদৰ নৱ নিৰ্বাচিত সদস্যসকলৰ শপত গ্ৰহণ অনুষ্ঠান সম্পন্ন হয়। এই অনুষ্ঠানত জিলা আয়ুক্ত প্ৰণৱজিত কাকতি উপস্থিত থাকে। লখিমপুৰ জিলা পৰিষদৰ সভাপতিৰূপে ছোনিয়া বৰগোহাঁইক আৰু উপ-সভাপতিৰূপে খগেন হাজৰিকাক নিৰ্বাচন কৰা হয়।

00000000

ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উদ্যোগত প্ৰয়াত সাংবাদিক নীলিম চৌধুৰীৰ চতুৰ্দশ মৃত্যুবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি অহা ১১ আগষ্টত নীলিম চৌধুৰী সোঁৱৰণী সাংবাদিকতা বঁটা প্ৰদান কৰা হ'ব। সেইদিনাই সাংবাদিক সঞ্জীৱ নন্দী সোঁৱৰণী যুৱ সাংবাদিকতা বঁটাও প্ৰদান কৰা হ'ব। কালি ডিব্ৰুগড় প্ৰেছক্লাবত অনুষ্ঠিত সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই অনুসৰি নীলিম চৌধুৰী সোঁৱৰণী সাংবাদিকতা বঁটাৰ বাবে সোণাৰিৰ জ্যেষ্ঠ সাংবাদিক সূৰ্য ফুকন আৰু সঞ্জীৱ নন্দী সোঁৱৰণী বঁটাৰ বাবে ডিব্ৰুগড়ৰ যুৱ সাংবাদিক হিৰণ্য বৰাক বাছনি কৰা হৈছে। ইয়াৰ লগতে অহা ১০ আগষ্টত সাংবাদিকতাৰ কৰ্মশালাৰ আয়োজন কৰা হৈছে। এই কৰ্মশালাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড০ সত্যকাম বৰঠাকুৰ, অইল ইণ্ডিয়া লিমিটেডৰ মহা প্ৰৱন্ধক ত্ৰিদীপ হাজৰিকা আৰু বিশিষ্ট সাংবাদিক সুবিৰ ভৌমিকে সমল ব্যক্তি হিচাপে অংশ ল'ব। কৰ্মশালাত সকলো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ ল'ব পাৰিব বুলি প্ৰেছক্লাবৰ তৰফৰ পৰা জনোৱা হৈছে।

00000000

ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীক চলিত বৰ্ষৰ মুখ্যমন্ত্ৰীৰ কৰ্মশ্ৰী বঁটা প্ৰদান কৰা হৈছে। প্ৰশাসনিক লোকসেৱাত আগবঢ়োৱা বিশেষ সেৱাৰ বাবে শ্ৰী কৈৰীলৈ এই বঁটা আগবঢ়োৱা হৈছে। জিলা আয়ুক্তগৰাকীয়ে লাভ কৰা এই বঁটাৰ বাবে জিলাখনৰ জনসাধাৰণে সন্তোষ প্ৰকাশ কৰাৰ লগতে তেওঁলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

00000000

যোৰহাটৰ বঙাল পুখুৰী নিবাসী বিশিষ্ট সমাজকৰ্মী তথা অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী মনোৰঞ্জন গগৈৰ কালি নিশা এখন ব্যক্তিগত হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭০ বছৰ। বঙালপুখুৰী পূজা মন্দিৰ, ৰেডক্ৰছ চ'ছাইটি, ৰাইটাৰ্চ্ছ ক্লাব আদি বিভিন্ন সংস্থাৰ সৈতে জড়িত গগৈৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

00000000

**সমাপ্ত**